সুপ্ৰভাত

আজিৰ দিনটোতে—

…ৱলেণ্ডত সংবিধান দিৱস

…গালিয়াত স্বাধীনতা দিৱস

…২৬ত অসমীয়া কবি নৱকান্ত বৰুৱাৰ জন্ম

…৭২ত কলিকতাত মাটিৰ তলেৰে যোৱা ৰে'লপথ নিৰ্মাণ

…৭৩ত অভিনেত্ৰী টুইংকল খান্নাৰ জন্ম

…৯১ত হকী খেলুৱৈ ৰিতু ৰাণীৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

…মবাৰ □ ১৩ পুহ ১৯৪৭ শক □ ২৯ ডিচেম্বৰ ২০২৫ চন □ VOL-15 □ NO-293 □ MONDAY 29 DECEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE

## বছৰটোৰ শেষত ভাল খবৰ ঃ কানৈ মহাবিদ্যালয় পৰিয়ালত আনন্দৰ লহৰ

# কানৈ মহাবিদ্যালয়ক এমট্ৰনৰ 'আইচিটি' স্বীকৃতি প্ৰদান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ অধীনস্থ একমাত্ৰ প্ৰযুক্তি প্ৰতিষ্ঠান অসম ইলেক্ট্ৰ'নিক্স উন্নয়ন নিগম পৰিসীমিত 'এমট্ৰন'-এ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ক 'আইচিটি' কলেজ হিচাপে স্বীকৃতি দিছে। বছৰটোৰ ভিতৰত ইটোৰ পিছত সিটো ভাল খবৰে মহাবিদ্যালয়খনক আলোড়িত কৰি থকাৰ সময়তে বছৰটোৰ শেষত এই খবৰ আহি পোৱাৰ লগে লগে কানৈ মহাবিদ্যালয় পৰিয়ালৰ ভিতৰে-বাহিৰে পুনৰ আনন্দৰ লহৰ উঠিছে। ১৯৪৫ চনৰ ১৫ জুনত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে ইতিমধ্যে ৮০ বছৰ সম্পূৰ্ণ কৰিছে। মহাবিদ্যালয়খনে চলিত বৰ্ষৰ এপ্ৰিল মাহত বিশ্ববিদ্যালয়



অনুদান আয়োগৰ দ্বাৰা স্বায়ত্তশাসিতৰ মৰ্যাদা লাভ কৰিছিল। তাৎপৰ্যপূৰ্ণ কথা যে মহাবিদ্যালয়খনৰ তথ্য-প্ৰযুক্তিৰ ব্যতিক্ৰমী উত্তৰণৰ ফলত অসমৰ উচ্চ শিক্ষা সঞ্চালকে পত্ৰ নং E-735768/3 dated 20.12.2025 মৰ্মে অসম চৰকাৰলৈ কানৈ মহাবিদ্যালয়ক 'ডিজিটেল এণ্ড স্মাৰ্ট কলেজ' হিচাপে স্বীকৃতি দিবলৈ এক পত্ৰ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। উন্নত তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ কৰি মহাবিদ্যালয়খনে কেইবাবছৰো ধৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমত অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে। লগতে শ্ৰেণীকোঠাত ছাত্ৰ-শিক্ষকৰ উপস্থিতি অনলাইন মাধ্যমত সম্পন্ন হোৱা, মহাবিদ্যালয়ৰ প্ৰশাসনিক কাম-কাজ কাগজবিহীনভাৱে সম্পন্ন হোৱা আদি ব্যতিক্ৰমী পদক্ষেপসমূহেও ১৫ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

সোমবাৰ, ২৯ ডিচেম্বৰ ২০২৫ ☐ MONDAY, 29 DECEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/

...কাশত বংশগতি, পৰিৱেশ
...মিকা সন্দৰ্ভত আলোচনা
...জৰ মতামত ব্যক্ত কৰে।
... সচেতন অভিভাৱক-
...মিতি গঠনৰ প্ৰস্তাৱ লোৱা
...াদক্ষেপৰ শলাগ লৈছে।

## ...ত্য সভাৰ

...ায়াত বিষয়ববীয়াৰ প্ৰতি
... প্ৰতিবেদন আৰু হিচাপ
...ম গ্ৰহণ কৰা হয়। মাজুলী
...মিতিৰ সভাপতি জগন্নাথ
...ভাপতিত্বত নতুন সমিতি
...ম্বেশ্বৰ দত্তক সভাপতি,
...ৰণ গোস্বামীক সম্পাদক
... হিচাপে লৈ ১৭জনীয়া
... মাজুলী মহাবিদ্যালয়ৰ
...িকা, দলী বৰুৱা, ডিম্বেশ্বৰ
...ৰাকী ব্যক্তিয়ে ৰামধেনু
...াড্ডা নামে এটি অনুষ্ঠান
...াহিত্য সভাৰ প্ৰতিষ্ঠাপক
...াৰ সম্পাদক সঞ্জীৱ বৰা
... অসম সাহিত্য সভাৰ

## কানৈ মহাবিদ্যালয়ক এমট্ৰনৰ

ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কেৱল সেয়াই নহয়, মহাবিদ্যালয়খনে ২০১৭ চনত কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ তৰফৰ পৰা দ্বিতীয় ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ লাভ কৰিছিল। ২০১৭ চনতেই মহাবিদ্যালয়খনে গ্ৰীন অডিটেড কলেজ, স্বচ্ছতা কলেজ, শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজৰ সন্মানো লাভ কৰে। ২০১৮ চনত ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ লাভ কৰে। মহাবিদ্যালয়খনৰ উত্তৰণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ২০২০, ২০২২, ২০২৩ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান লাভ কৰে। ২০২২ চনত ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা 'অসমৰ পৰিষ্কাৰ মহাবিদ্যালয়', ২০২৩ চনত নেহৰু যুৱ কেন্দ্ৰৰ তৰফৰ পৰা 'স্বচ্ছ মহাবিদ্যালয়'ৰ সন্মান, ২০২৩ বৰ্ষত ভাৰতীয় ডাক বিভাগে মহাবিদ্যালয়খনৰ নামত এক বিশেষ লেফাফা প্ৰকাশ কৰাৰ লগতে একে বৰ্ষতে মহাবিদ্যালয়খনে 'নাক'ৰ মূল্যায়নত 'এ' গ্ৰেড লাভ কৰে। ২০২৪ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান, ২০২৪ বৰ্ষত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ তৰফৰ পৰা 'চেণ্টাৰ ফৰ এক্সিলেঞ্চ' সন্মান, গুণগত উচ্চমানৰ শিক্ষাদানৰ বাবে আইএছঅ'-৯০০১ ঃ ২০১৫ প্ৰমাণ-পত্ৰ লাভ কৰে। একে বছৰতে ভাৰত চৰকাৰৰ উচ্চ শিক্ষা মন্ত্ৰালয়ৰ উদ্ভাৱন কোষৰ তৰফৰ পৰা মহাবিদ্যালয়খনক 'এষ্টাব্লিছমেণ্ট অৱ ইনষ্টিটিউচনছ ইন'ভেচন কাউঞ্চিল'ৰ স্বীকৃতি দিয়ে। মহাবিদ্যালয়খনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাক ভাৰত চৰকাৰৰ তৰফৰ পৰা 'স্বচ্ছতা হি সেৱা-২০২৪' ৰূপায়ণ কৰাত এক প্ৰমাণ-পত্ৰযোগে ভুয়সী প্ৰশংসা কৰে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে উত্তৰ-পূবৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত কানৈ মহাবিদ্যালয়ক প্ৰথম পৰ্যায়ত ন'লেজ ইনষ্টিটিউচন হিচাপে স্বীকৃতি দিয়ে। ২০২৪ চনৰ ২০ ডিচেম্বৰত ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ তৰফৰ পৰা কানৈ মহাবিদ্যালয়ক ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰে। গুৰুত্বপূৰ্ণ কথা যে মহাবিদ্যালয়খনৰ ইতিহাসত চলিত বৰ্ষতে মহাবিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° অপূৰ্ব দত্তক যুটীয়াভাৱে আৱিষ্কাৰ আৰু উদ্ভাৱনৰ বাবে 'পেটেণ্ট' লাভৰ স্বীকৃতি লাভ কৰে। গণিত বিভাগৰ অধ্যাপক ড° অমিতাভ দলেও লাভ কৰে ষ্টেণ্ডাৰ্ড ক্লাবৰ তৰফৰ পৰা ৰাজ্যিক স্বীকৃতিৰ পুৰস্কাৰ। মহাবিদ্যালয়খনৰ এনে উত্তৰণত সকলোৱে সন্তোষ প্ৰকাশ কৰিছে।